National Health Mission, Assam

GOVERNMENT OF ASSAM

# ধাৰণা বনাম পৰিঘটনা

## কৰ'ণা ভাইৰাচৰ বিষয়

**ধাৰণাঃ** ঘৰুৱা উৎপাদিত মাছ, মাংস, কণি খোৱাৰ পৰা বিৰত থাকিব লাগে কৰ'ণা ভাইৰাছ সংক্ৰামণৰ পৰা আতৰত থাকিবলৈ।
**পৰিঘটনাঃ** মাছ, মাংস, কণি আদি ঘৰুৱা উৎপাদিত সামগ্ৰী সম্পূৰ্ণভাৱে ভালকৈ ৰান্ধি আহাৰ গ্ৰহণ কৰিব লাগে।

**ধাৰণাঃ** মহৰ কামোৰণিৰ জৰিয়তে নতুন কৰ'ণা ভাইৰাছ সংক্ৰমণ হয়।
**পৰিঘটনাঃ** বৰ্তমানলৈকে এনে কোনো প্ৰমাণ পোহৰলৈ অহা নাই মহৰ কামোৰণিৰ জৰিয়তে কৰ'ণা ভাইৰাছ সংক্ৰমণ হোৱাৰ।

**ধাৰণাঃ** থাৰ্মেল স্কেণাৰৰ জৰিয়তে কৰ'ণা ভাইৰাছ সংক্ৰমণ হোৱা ব্যক্তিক সহজে চিনাক্ত কৰিব পাৰি।
**পৰিঘটনাঃ** ভাইৰাছ সংক্ৰমণ হোৱা জনৰ ক্ষেত্ৰত বাঢ়ি অহা জ্বৰৰ প্ৰভাৱ থাৰ্মেল স্কেণাৰে সহজে ধৰা পেলাব পাৰি। কিন্তু যিসকল প্ৰাথমিক ভাৱে সংক্ৰমণ হৈছে জ্বৰ আদি দুৰ্বলতা অনুভৱ কৰা নাই তেওঁলোকক থাৰ্মেল স্কেণাৰে ধৰা পেলাব নোৱাৰি।

**ধাৰণাঃ** সুৰাপান অথবা ক্লৰিণ প্ৰয়োগে কৰ'ণা ভাইৰাছক বিনাশ কৰিব পাৰি।
**পৰিঘটনাঃ** সুৰাপান অথবা ক্লৰিণ প্ৰয়োগ নতুন কৰ'ণা ভাইৰাছক বিনাশ কৰিব নোৱাৰি।

**ধাৰণাঃ** দৈনন্দিন পৰিস্কাৰ পানী আৰু চাবুন আদিৰে পৰিস্কাৰকৈ ধুই নাক, মুখ স্পৰ্শ কৰিলে কৰ'ণা ভাইৰাছ সমক্ৰমণৰ পৰা বাচি থাকিব পাৰি।
**পৰিঘটনাঃ** বৰ্তমানলৈকে তেনে কোনো তথ্য প্ৰমাণ নাই।

**ধাৰণাঃ** নতুন কৰ'ণা ভাইৰাছ বয়োজেষ্ঠ সকলক সহজে আক্ৰমণ কৰে।
**পৰিঘটনাঃ** সকলো বয়সৰে লোক কৰ'ণা ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হব পাৰে। হলেওঁ বয়োজেষ্ঠ্য আৰু অসুখীয়া যেনে হাপানী, মধুমেহ, হৃদৰোগ আদিত আক্ৰান্ত সকলক সহজে আক্ৰমণ কৰিব পাৰে।

**ধাৰণাঃ** এন্টিবায়টিকছ হৈছে কৰ'ণা ভাইৰাচ ৰোগ প্ৰতিৰোধ তথা চিকিৎসাৰ অন্যতম উপায়।
**পৰিঘটনাঃ** এন্টিবায়টিকছ ভাইৰাচৰ ক্ষেত্ৰত কোনো নকৰে। কেৱল মাত্ৰ কাৰ্যকৰে বেক্টেৰীয়াৰ ক্ষেত্ৰতহে।

**ধাৰণাঃ** মুখত পৰিধান কৰা মাস্কে কৰ'ণা ভাইৰাচৰ পৰা আতৰত ৰাখিব পাৰে।
**পৰিঘটনাঃ** সকলোৰে মুখত মাস্ক পৰিধান কৰাৰ প্ৰয়োজন নাই। কেৱল মাত্ৰ সেই লোকসকলেহে মাস্ক পৰিধান কৰিব লাগে যিয়ে নেকি- কাঁহ, জ্বৰ, অথবা উশাহ-নিশাহ লোৱাত অসুবিধা পাই থাকে অথবা কৰ'ণা বাইৰাচৰ সংক্ৰমন হোৱা সামগ্ৰী বা ৰোগীৰ পৰা সাৱধানতাৰ বাবে।

**ধাৰণাঃ** ঘৰচীয়া জীৱ-জন্তুৱে নতুন এই কৰ'ণা ভাইৰাচ বিয়পোৱাই।
**পৰিঘটনাঃ** বৰ্তমানলৈকে এনে কোনো তথ্য-প্ৰমান পোহৰলৈ অহা নাই যে ঘৰচীয়া জীৱ-জন্তুৱে নতুন কৰ'ণা ভাইৰাচ সংক্ৰমণ কৰে।

USAID FROM THE AMERICAN PEOPLE

nishtha Transforming Comprehensive Healthcare in India

jhpiego Saving lives. Improving health. Transforming futures.